অধ্যায় ১২ ঃ উত্তৰ-পূব ভাৰতৰ অর্থনৈতিক সমস্যা

অধ্যায় গাঁথনি

12.1 উদ্দেশ্য

12.2 পৰিচয়

12.3 উত্তৰ-পূব ভাৰতৰ অর্থনৈতিক সমস্যা

- 12.3.1 নিবনুৱা সমস্যা
- 12.3.2 আন্তঃগাঁথনি
- 12.3.3 ঔদ্যোগিকীকৰণ

12.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

12.5 অধিক জানিবলৈ

12.6 আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উত্তৰ-পূব ভাৰতৰ অর্থনৈতিক সমস্যাসমূহৰ বিষয়ে অৱগত হ'ব
- অর্থনৈতিক সমস্যাসমূহৰ কাৰণবোৰ বুজি পাব
- উত্তৰ-পূব ভাৰতৰ নিবনুৱা সমস্যা সৃষ্টিকাৰী বিভিন্ন কাৰকৰ বিষয়ে জানিব পাৰিব
- উত্তৰ-পূব ভাৰতৰ আন্তঃগাঁথনিমূলক বৃদ্ধি আৰু বিকাশ সম্পর্কে গম পাব
- ঔদ্যোগিক অর্ধবিকাশৰ (underdevelopment) কাৰণ আৰু ইয়াৰ প্ৰভাৱ অৱগত হ'ব।

১২.২ পৰিচয়

এই অধ্যায়টিয়ে আপোনাক উত্তৰ-পূব ভাৰতৰ অর্থনৈতিক সমস্যাসমূহৰ সৈতে পৰিচয় কৰাই দিব। উত্তৰ-পূর্বাঞ্চল মুঠ আঠখন ৰাজ্যৰ সমষ্টি। যদিও আঠোখন ৰাজ্যৰে সাংস্কৃতিক আৰু ভাষিক দিশত পার্থক্য আছে, তথাপিও ক'ব পাৰি যে ঔপনিৱেশিক ইতিহাস আৰু বাসিন্দাসকলৰ মাজৰ সামাজিক আন্তঃক্ৰিয়াশীলতাই এই অঞ্চলত এক সাধাৰণত্বৰ জন্ম দিছে. সেয়েহে অঞ্চটোৰ অর্থনীতি, উন্নয়ন, শোষণ আদিৰ লগতে জড়িত সমস্যাবোৰ এক সাধাৰণ ভিত্তিৰে বিশ্লেষণ কৰি চাব পাৰি।

১২.৩ উত্তৰ-পূব ভাৰতৰ অর্থনৈতিক সমস্যা

অর্থনৈতিক সমস্যাসমূহৰ ঐতিহাসিক ভেঁটি আছে বুলি যুক্তি দর্শোৱা হয়। ইয়াৰ অর্থনৈতিক আন্তঃগাঁথনিৰ ওপৰত ঔপনিৱেশিক ইতিহাস আৰু শোষণৰ দীর্ঘদিনীয়া প্ৰভাৱ

পৰিলক্ষিত হয়। ঔপনিৱেশিক শাসনৰ পৰা স্বাধীন হোৱাৰ পাচতো, ঔপনিৱেশিক ইতিহাসৰ ছাঁয়াই এই অঞ্চলৰ অৰ্থনৈতিক খণ্ডবোৰৰ পিছ এৰা নাই। প্ৰাকৃতিক উৎসমূহ থকা সত্বেও এই অঞ্চলটোৰ অৰ্থনৈতিক উন্নয়নৰ হাৰ দেশৰ সৰ্বাত্মক উন্নয়নৰ হাৰতকৈ পিছ কৰি আছে। এই অঞ্চলটোৰ অৰ্থনৈতিক অৰ্ধবিকাশৰ বহুতো দিশ তথা কাৰক আছে। এই সকলোবোৰ কথা তলত উল্লিখিত অৰ্থনৈতিক সমস্যাৰ তিনিটা মাত্ৰাৰ ভিত্তিত আলোচনা কৰা হ'ল।

১২.৩.১ নিবনুৱা সমস্যা

নিবনুৱা সমস্যাৰ সংজ্ঞাই এনে এক পৰিস্থিতি বুজায় য'ত ব্যক্তি এগৰাকী বৰ্তমানে (currently) কৰ্মহীন হৈ আছে আৰু সক্ৰিয়ভাৱে কৰ্মৰ সন্ধান কৰি আছে। নিবনুৱা সমস্যাটোক এক বৃহৎ অৰ্থনৈতিক সমস্যা হিচাপে গণ্য কৰিব পাৰি। ইয়াক এক গুৰুতৰ সামাজিক সমস্যা ৰূপেও গণ্য কৰিব পাৰি। কাৰণ, ইয়াৰ ফলস্বৰূপে অন্যান্য সামাজিক ব্যাধিৰ সূচনা হ'ব পাৰে। প্ৰত্যেক ৰাজ্যতে এগৰাকী ব্যক্তিয়ে তেওঁৰ অৰ্হতা তথা যোগ্যতা অনুযায়ী কৰ্ম সংস্থাপন লাভৰ সুবিধা পাব লাগে। ব্যক্তি এগৰাকীৰ যোগ্যতা অনুসৰি এটা যথোচিত চাকৰি নিশ্চিত কৰাটো যিকোনো ৰাজ্যৰে দায়িত্ব। কিন্তু প্ৰতিখন ৰাজ্যতে নিবনুৱা সমস্যাটোৱে এক দৃশ্যমান সমস্যাৰূপে দেখা দিছে। এই ক্ষেত্ৰত উত্তৰ-পূব ভাৰতো পৃথক নহয়। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে 2012-13 বৰ্ষত চলোৱা নিয়োগ আৰু নিবনুৱা বিষয়ক এক সমীক্ষা অনুসৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ এহেজাৰ গৰাকী লোকৰ মাজত নিবনুৱাৰ হাৰ ৰাষ্ট্ৰীয় গড় হাৰতকৈ অধিক। উত্তৰ-পূৰ্বাঞ্চলৰ কেইখনমান ৰাজ্য, যেনে— অসম, মণিপুৰ আৰু অৰুণাচল ভয়াবহ নিবনুৱা সমস্যাৰ সন্মুখীন হৈছে। ইয়াৰ ফলস্বৰূপে কিছুমান অন্যান্য সামাজিক ব্যাধি, যেনে- সন্ত্ৰাসবাদ, অপৰাধ আৰু আত্মহত্যা আদিৰ উদ্ভৱ হৈছে। এইবোৰৰ বিষয়ে আমি পৰৱৰ্তী সময়ত আলোচনা কৰিম। নিবনুৱা সমস্যাৰ বাবে উদ্ভৱ হোৱা সামাজিক পৰিঘটনাসমূহৰ বিষয়ে বুজ লোৱাৰ আগতে আমি ইয়াৰ কাৰকসমূহ জনা উচিত।

- **নিবনুৱা সমস্যাৰ কাৰক ঃ**

উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ সৰ্বমুঠ নিবনুৱাৰ হাৰ 12 শতাংশ। এই ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলীয় ৰাজ্য ত্ৰিপুৰা 25.2 শতাংশ নিবনুৱাসহ ভাৰতৰ ভিতৰতে শীৰ্ষস্থানত আছে। অঞ্চলটোৰ নিবনুৱা সমস্যাটোক দেশৰ সৰ্বাত্মক অৰ্থনৈতিৰ বিকাশৰ ক্ষেত্ৰত এক অন্যতম উদ্বেগ সৃষ্টিকাৰী আশংকা হিচাপে গণ্য কৰিব পাৰি।

উত্তৰ-পূব ভাৰতত নিবনুৱা সমস্যা সৃষ্টিৰ আঁৰত বহুতো কাৰকৰ সক্ৰিয় ভূমিকা আছে। সেইবোৰ তলত আলোচনা কৰা হ'ল—

- **ঔপনিৱেশিক শোষণ ঃ**

উত্তৰ-পূব ভাৰত প্ৰায় 150 বছৰ ধৰি ব্ৰিটিছ-ঔপনিৱেশিক শাসনৰ অধীনত আছিল। যদিও ব্ৰিটিছসকলে বিভিন্ন উন্নয়নমূলক কার্যসূচী হাতত লৈছিল তথাপিও সময়ত এয়া পোহৰলৈ আহিছিল যে তেওঁলোকৰ প্ৰধান অভিপ্ৰায় আছিল অঞ্চলটোত পোৱা বিভিন্ন কেঁচামাল ৰপ্তানি কৰাটোহৈ। ব্ৰিটিছ প্ৰশাসনৰ দ্বাৰা প্ৰাকৃতিক উৎসৰ শোষণে অঞ্চলটোৰ প্ৰাক্-স্বাধীন কালৰ অর্থনৈতিক উন্নয়নত বাধা প্ৰদান কৰিছিল।

- **দুর্গমতা ঃ**

ভাৰতৰ মূল ভূখণ্ডৰ সৈতে থকা ভৌগোলিক দুর্গমতা উত্তৰ-পূব ভাৰতৰ নিবনুৱা সমস্যাৰ অন্য এক কাৰণ। বিভিন্ন গৱেষকে যুক্তি দর্শাইছে যে ভৌগোলিক দূর্গমতাৰ কাৰণে মূল ভাৰত ভূ-খণ্ডৰ আঁচনি প্ৰস্তুতকর্তাসকলে এই অঞ্চলটোৰ অর্থনৈতিক উন্নয়নৰ প্ৰসংগটো আওকাণ কৰিছিল। প্ৰাকৃতিক উৎসৰ ভঁৰাল আৰু অনুকূল পৰিৱেশ থকা সত্বেও এই অঞ্চলটোক বৃহৎ উদ্যোগৰ বিকাশ ঘটোৱা নহ'ল। তৈল আৰু চাহ খণ্ডত সম্ভাৱনা থকা সত্বেও এই খণ্ডসমূহত যুৱসমাজক নিয়োজিত কৰাৰ বাবে চৰকাৰৰ দ্বাৰা সঠিক আঁচনি গ্ৰহণ কৰা হোৱা নাই।

- **দুর্নীতি ঃ**

দুর্নীতি, আত্মীয়-স্বজনৰ পৃষ্ঠপোষকতা (nepotism) আৰু আমোলাতন্ত্ৰৰ জটিল বাধা নিষেধ (red-tapism) আদি হ'ল উত্তৰ-পূব ভাৰতত নিবনুৱা সমস্যা সৃষ্টিৰ অন্য কেইটামান প্ৰধান কাৰণ। বিভিন্ন গৱেষকৰ মতে আমোলা, বিষয়া আৰু ৰাজনৈতিক নেতাসকলৰ দুর্নীতি তথা আত্মীয়-স্বজনক পৃষ্ঠপোষকতা কৰাৰ মানসিকতাই উত্তৰ-পূৱ ভাৰতৰ অর্থনৈতিক উন্নয়নৰ প্ৰক্ৰিয়াটোক নিয়ন্ত্ৰণ কৰি ৰাখিছে। কেন্দ্ৰই আৱণ্টন দিয়া পুঁজিৰ ধনৰাশি ৰাজ্যসমূহৰ মাজত সমপৰিমাণে বিতৰণ কৰা নহয়। আনহাতে, ৰাজহুৱা খণ্ডৰ চাকৰিসমূহত দেখা দিয়া দুর্নীতিয়ে চৰকাৰী চাকৰিৰ ক্ষেত্ৰত যোগ্য লোকৰ অন্তর্ভুক্তিত বাধা আৰোপ কৰিছে। অসমৰ ক্ষেত্ৰত শেহতীয়া এ পি এছ চি কেলেংকাৰী হ'ল এনে এক উদাহৰণ। ই দেখুৱাই দিছে কেনেদৰে দূনীতিয়ে সামর্থৱান আৰু যোগ্য লোকক কর্মসংস্থাপন লাভৰ পৰা বঞ্চিত কৰিব পাৰে।

- **সন্ত্ৰাসবাদ ঃ**

উত্তৰ-পূর্বাঞ্চলক সন্ত্ৰাসবাদী দলসমূহৰ কার্যকলাপৰ কেন্দ্ৰ হিচাপে গণ্য কৰিব পাৰি। দশকজোৰা অর্থনৈতিক আৰু ৰাজনৈতিক শোষণৰ কু-প্ৰভাৱ ভিন্ন বিসম্বাদী গোট তথা সন্ত্ৰাসবাদী দলসমূহৰ উত্থানৰ জৰিসতে প্ৰকট হৈ পৰিছে। দৈনন্দিন সংঘর্ষ, অপহৰণ, বলপূর্বক ধন দাবী আদি ঘটনাই অঞ্চলটোত নতুন উদ্যোগ স্থাপনৰ সম্ভাৱনা হ্ৰাস কৰিছে। সন্ত্ৰাসবাদী দলসমূহ, যেনে- আলফা (ULFA), এন ডি এফ বি (NDFB), এন এছ চি এন (NSCN), পি এল এ (PLA) ইত্যাদিয়ে সংগটিত কৰা কূটাঘাটমূলক কার্য কলাপে অঞ্চলটোত নতুন উদ্যোগ স্থাপনৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিছে। এয়া উল্লেখযোগ্য যে সন্ত্ৰাসবাদ আৰু নিবনুৱা সমস্যাৰ পাৰস্পৰিক সম্পর্ক আছে।

সন্ত্রাসবাদক নিবনুৱা সমস্যাৰ পৰিণতি হিচাপে গণ্য কৰিব পাৰি। সন্ত্রাসবাদে এসময়ত নিবনুৱা সমস্যাৰ সৃষ্টিত অৱিহণা যোগায়। আইন-শৃংখলাৰ (law and order) সঠিক উন্নয়ন অবিহনে অর্থনৈতিক উন্নয়ন আৰু ঔদ্যোগিকীকৰণ সম্ভৱ নহয়। উত্তৰ-পূৰ্বাঞ্চলত, সন্ত্রাসবাদী কার্য-কলাপসমূহে অঞ্চলটোৰ আইন-শৃংখলাজনিত পৰিস্থিতি প্রায় বিকল কৰি পেলাইছে। ইয়াৰ ফলস্বৰূপে বিনিয়োগকাৰীসকলে এই অঞ্চলটোত বিনিয়োগ কৰাৰ বাবে ভয় কৰে।

➢ **পৰিবহণ ঃ**

অঞ্চলটোৰ ভৌগোলিক দুর্গমতাক শোচনীয় সংযোগ ব্যৱস্থাই অধিক দুর্গম ৰূপ দিছে। শেহতীয়া সময়ত যদিও কিছুমান উদ্যোগ গ্রহণ কৰা হৈছে, তথাপিও উত্তৰ-পূব ভাৰতৰ দুর্বল পথ সংযোগ তথা যোগাযোগ ব্যৱস্থাক ঔদ্যোগিকীকৰণ আৰু অর্থনৈতিক উন্নয়নৰ অন্তৰায় হিচাপে গণ্য কৰিব পাৰি। এই সকলোবোৰে নিবনুৱাৰ হাৰ বৃদ্ধি কৰাত উদগনি যোগায়।

6) কর্ম সংস্থানৰ পুনৰ সৃষ্টিকৰণ (Employment regeneration) ঃ স্বাধীনতাৰ প্রায় 70 বছৰৰ পাচতো নতুন খণ্ড আৰু নতুন অর্হতাৰ পৰিচয়ৰ জৰিয়তে কর্ম সংস্থান পুনৰ সৃষ্টিকৰণৰ বাবে সঠিক ব্যৱস্থা লোৱা হোৱা নাই। ৰাজ্যিক আঁচনিসমূহ পৰম্পৰাগত তথা প্রচলিত খণ্ডসমূহক কেন্দ্র কৰি প্রস্তুত কৰা হয়। এনে সীমিত সংখ্যক চৰকাৰী খণ্ডই উত্তৰ-পূর্বাঞ্চলৰ বর্দ্ধিত হাৰৰ নিবনুৱা সমস্যাক নিয়ন্ত্রণ কৰিব নোৱাৰে।

➢ **উদ্যমী দক্ষতাৰ অভাৱ (Etrepreneurial skills) ঃ**

বিশ্বায়নৰ যুগত চৰকাৰী খণ্ডৰ চাকৰিৰ ওপৰত অত্যধিক নির্ভৰশীলতাক এক সুস্থ অনুশীলন বুলি মানি ল'ব নোৱাৰি। উদ্যমী দক্ষতাৰ ভিত্তিত গঢ় ল'ব পৰা ষ্টার্ট আপ (start ups) সংস্থাপনৰ পৰিকল্পনাসমূহক নিবনুৱা সমস্যাৰ সমাধানৰ এক বিকল্প হিচাপে বিবেচনা কৰিব পাৰি। উত্তৰ-পূব ভাৰতত ষ্টার্ট আপ ব্যৱসায় চলোৱা অথবা উদ্যমী দক্ষতাৰ বিকাশ সম্পর্কীয় গণ সচেতনতা বৃদ্ধি হোৱা নাই। ইয়াৰ ফলস্বৰূপে অঞ্চলটোৰ অধিকাংশ বাসিন্দা এতিয়াও কেৱল ৰাজহুৱা খণ্ডৰ চাকৰিৰ ওপৰতে অধিক নির্ভৰশীল হৈ আছে।



চিন্তা-চর্চা কৰক-১

নিবনুৱা সমস্যা নিয়ন্ত্রণৰ ক্ষেত্রত চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা হাতত ল'ব লাগে সেই বিষয়ে আলোচনা কৰক।

➢ **নিবনুৱা সমস্যাৰ পৰিণাম ঃ**

নিবনুৱা সমস্যাই বিভিন্ন পৰিণাম কঢ়িয়াই আনে। বিভিন্ন সামাজিক অশুভ কর্ম নিবনুৱা সমস্যাৰ ফলত নিবনুৱা সমস্যাৰ বিভিন্ন অর্থনৈতিক, সামাজিক আৰু

ৰাজনৈতিক পৰিণাম আছে। সেই পৰিণাম সমূহ তলত আলোচনা কৰা হ'লঃ

➢ **সন্ত্রাসবাদ ঃ**

ইতিমধ্যে উল্লেখ কৰা হৈছে যে নিবনুৱা সমস্যাৰ সন্ত্রাসবাদৰ সৈতে পাৰস্পৰিক সম্পর্ক আছে। ক'ব পাৰি যে সন্ত্রাসবাদী কার্য-কলাপসমূহ নিবনুৱ সমস্যাৰে পৰিণাম। মণিপুৰ, নাগালেণ্ড মেঘালয় আৰু অসমৰ দৰে ৰাজ্যসমূহত নিবনুৱাৰ বর্দ্ধিত হাৰৰ বাবে সন্ত্রাসবাদী কার্য-কলাপৰ হাৰো বৃদ্ধি হোৱাটো পৰিলক্ষিত হৈছে। এই অঞ্চলটোৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকল সন্ত্রাসবাদী কার্য-কলাপৰ প্রতি ক্রমান্বয়ে আকর্ষিত হয়। কিয়নো তেওঁলোকে চৰকাৰী চাকৰি পোৱাৰ সম্ভাৱনা ক্ষীণ। চৰকাৰী চাকৰিৰ ক্ষেত্রত দেখা দিয়া দুর্নীতি তথা আত্মীয়-স্বজনক পৃষ্ঠপোষকতা কৰাৰ মনোভাৱে যোগ্যসকলক নিৰাশ কৰি তোলে। আনহাতে আন্তঃগাঁথনি আৰু ঔদ্যোগিকীকৰণৰ অভাৱে ব্যক্তিগত খণ্ডত চাকৰিৰ পুনৰ সৃষ্টিকৰণৰ দিশত এক বৃহৎ বাধাৰ সৃষ্টি কৰিছে। সেইবাবে নিবনুৱা যুৱক-যুৱতীয়ে ভাবিবলৈ লয় যে এক সুন্দৰ জীৱন যাপনৰ বাবে সন্ত্রাসবাদেৰে অপহৰণ, বলপূর্বক ধন দাবী ইত্যাদি কাম কৰিব পাৰিলে ই এক লাভজনক ব্যৱসায়ৰ ৰূপ ল'ব পাৰে। দেখা গৈছে যে 1980ৰ দশকৰ পাছত উত্তৰ-পূর্বাঞ্চলত সন্ত্রাসবাদে এক লাভজনক উদ্যোগৰ ৰূপ লৈছে।

➢ **দৰিদ্রতা ঃ**

দৰিদ্রতাক নিবনুৱা সমস্যাৰ অন্য পৰিণাম বুলি গণ্য কৰিব পাৰি। যেতিয়া ব্যক্তিগত অথবা চৰকাৰী চাকৰি পোৱাৰ সম্ভাৱনা কমি যায় তেতিয়া ভয়াৱহ অর্থনৈতিক সংকটৰ উদ্ভৱ হয়।

➢ **অপৰাধ ঃ**

নিবনুৱা সমস্যাৰ ফলত বিভিন্ন অপৰাধমূলক কার্য-কলাপ সংঘটিত হ'ব পাৰে। নিবনুৱা সমস্যাই মানুহক অপৰাধমূলক কার্য-কলাপত লিপ্ত হোৱাৰ বাবে প্ররোচিত কৰিব পাৰে। তাৰোপৰি, নিবনুৱা সমস্যাই কঢ়িয়াই অনা সামাজিক নিৰাপত্তাহীনতা আৰু হতাশায়ো মানুহক অপৰাধমূলক কার্য-কলাপত লিপ্ত হ'বলৈ প্ররোচিত কৰে। বিভিন্ন পণ্ডিতৰ মতে বর্দ্ধিত অপৰাধ যেনে- লুণ্ঠন, মাদক দ্রব্যৰ ব্যৱসায়, শিশু সৰবৰাহ দেহ ব্যৱসায় ইত্যাদিৰ নিবনুৱা সমস্যাৰ সৈতে প্রত্যক্ষ সম্পক আছে।

➢ **সামাজিক নিৰাপত্তাহীনতা, আত্মহত্যা ঃ**

এয়া পৰিলক্ষিত হৈছে যে নিবনুৱা সমস্যাই সামাজিক নিৰাপত্তাহীনতা গঢ়াৰ লগতে মানসিক যন্ত্রণাৰো সৃষ্টি কৰিব পাৰে। যেতিয়া কোনো ব্যক্তিয়ে নিজকে অর্হতাসম্পন্ন বুলি গণ্য কৰে, উপযুক্ত চাকৰি কৰাৰ সামর্থ আছে বুলি ভাবে, কিন্তু দুর্নীতি অথবা আমোলাতন্ত্রৰ জটিল বাধা নিষেধ তথা সংশ্লিষ্টসকলৰ আত্মীয়-স্বজনৰ পৃষ্ঠপোষকতাকাৰী মনোভাৱৰ বাবে প্রাপ্যৰ পৰা বঞ্চিত হয়, তেতিয়া তেনে ব্যক্তিৰ মনত ক্রমে এক হতাশা আৰু সামাজিক নিৰাপত্তাহীনতাৰ উদ্ভৱ হ'ব পাৰে। এনে

মানসিক স্থিতিয়ে ব্যক্তিক অস্বাভাৱিক সামাজিক ব্যৱহাৰ, অপৰাধ অথবা আত্মহত্যা আদি সংঘটিত কৰিবলৈ উদগনি যোগায়।

➢ **প্ৰব্ৰজন ঃ**

উত্তৰ-পূব ভাৰতৰ যুৱ প্ৰজন্মই অন্য প্ৰান্তলৈ বহিঃ প্ৰব্ৰজন কৰাৰ ঘটনা গুৰুতৰ হাৰত বৃদ্ধি পাইছে। সঠিক আন্তঃগাঁথনিৰ অভাৱ, নিবনুৱা সমস্যাই সৃষ্টি কৰা হতাশাজনক পৰিস্থিতি আৰু অঞ্চলটোৰ সামাজিক ৰাজনৈতিক পৰিস্থিতিয়ে যুৱ-সমাজৰ মাজত এইটো ধাৰণাৰ সঞ্চাৰ কৰিছে যে এই অঞ্চলটোৰ অৰ্থনৈতিক গতানুগতিকতাৰ কেতিয়াও পৰিৱৰ্তন নহয়। এই বিশ্বাসে বহিঃ প্ৰব্ৰজন কৰা যুৱকসকলৰ সংখ্যা বৃদ্ধিত অৰিহণা যোগাইছে। এই অঞ্চলটোৰ যুৱ-সমাজৰ এক বৃহৎ অংশই ব্যক্তিগত ফাৰ্মসমূহত (private farms) চাকৰি কৰাৰ বাবে দিল্লী, মুম্বাই আৰু বাংগালুৰুৰ দৰে নগৰ-চহৰলৈ প্ৰব্ৰজন কৰিছে।



চিন্তা-চৰ্চা কৰক-২

উত্তৰ-পূব ভাৰতত সন্ত্ৰাসবাদী কাৰ্য-কলাপ বৃদ্ধিৰ মূল কাৰণসমূহ বিচাৰি উলিয়াওক।

.....



চিন্তা-চৰ্চা কৰক-৩

নিবনুৱা সমস্যাটোক আপনি এক অৰ্থনৈতিক সমস্যা বুলি বিবেচনা কৰেণে? যদি কৰে, কিয়?

.....

১২.৩.২ আন্তঃগাঁথনি

পুৰুষোত্তম নায়কে তেওঁৰ "ইনফ্ৰাষ্ট্ৰাক্ছাৰ ঃ ইট্ছ ডেভেলপমেণ্ট এণ্ড ইম্পেক্ট অন এগ্ৰিকাল্চাৰ্ ইন্ নৰ্থ-ইষ্ট ইণ্ডিয়া" শীৰ্ষক গৱেষণা-পত্ৰখনত উল্লেখ কৰা মতে, আন্তঃগাঁথনিৰ সৰ্বাত্মক সংজ্ঞাটো হ'ল- সমাজে প্ৰদান কৰা নিদিষ্ট কিছুমান সা-সুবিধা তথা সেৱা যাৰ ওপৰত অৰ্থনীতিৰ গঠনটো বহুলভাৱে নিৰ্ভৰশীল। যিহেতু ই বহুঅক্ষীয় (multidimensional) আৰু চৰিত্ৰত বহুমুখী সেয়েহে ইয়াক এক পৰিপূৰক খণ্ড হিচাপে আৰু বাহ্যিক অৰ্থনৈতিক অৱস্থাৰ সৃষ্টি কৰি অৰ্থনীতিৰ অন্য খণ্ডসমূহৰ দ্ৰুত বিকাশ সাধনকাৰী খণ্ড হিচাপে গ্ৰহণ কৰা হয়। আন্তঃগাঁথনিসমূহ ধাৰণাৰ পৰা মূৰ্ত ৰূপ পোৱালৈকে প্ৰয়োজন হোৱা সুদীৰ্ঘ সময় আৰু সংস্থাপন তথা ৰক্ষণাবেক্ষণৰ বাবে প্ৰয়োজন হোৱা বৃহৎ ব্যৱয়ৰ বাবে সাধাৰণতে চৰকাৰে কোনো ধৰণৰ লাভৰ উদ্দেশ্য নৰখাকৈ এই ক্ষেত্ৰত বিত্তৰ যোগান ধৰে।

এটা অঞ্চলৰ বিকাশ যথেষ্ট পৰিমাণে ইয়াৰ আন্তঃগাঁথনিমূলক সা-সুবিধাসমূহৰ

সহজলভ্যতাৰ ওপৰত নির্ভৰ কৰে। কৃষিকার্য আৰু উদ্যোগৰ বিকাশ প্রধানতঃ অঞ্চলটোৰ আন্তঃগাঁথনিৰ ওপৰত নির্ভৰশীল। এক শক্তিশালী আন্তঃগাঁথনিমূলক ভেটি অবিহনে দেশ এখনৰ এটা অঞ্চলে ইয়াৰ অর্থনৈতিক উন্নয়ন সাধিব নোৱাৰে। অসমৰ এগৰাকী প্রখ্যাত অর্থনীতিবিদ পি কে ধৰৰ মতে দেশৰ উন্নয়ন প্রক্রিয়াত অন্য ক্ষেত্রতকৈ অধিক গুৰুত্বপূর্ণ আৰু কঠিন কামটো হ'ল সাধাৰণ আন্তঃগাঁথনিমূলক সা-সুবিধাসমূহৰ যোগান ধৰাটো। এই আন্তঃগাঁথনিমূলক সা-সুবিধাসমূহৰ ভিতৰত বিভিন্ন অর্থনৈতিক আৰু সামাজিক অতিৰিক্ত ব্যয়, যেনে— শক্তি (কয়লা, তেল আৰু বিদ্যুৎ), জলসিঞ্চন, পৰিবহন আৰু যোগাযোগ, বেংক ব্যৱস্থা, বিত্ত, বীমা, বিজ্ঞান আৰু প্রযুক্তি বিদ্যা তথা অন্যান্য সামাজিক অতিৰিক্ত ব্যয়, যেনে— শিক্ষা, স্বাস্থ্য আৰু পৰিস্কাৰ-পৰিচ্ছন্নতা (hygiene) ইত্যাদিক সামৰি লোৱা হয়।

কৃষিকার্যই অঞ্চলটোৰ জনসংখ্যাৰ 70 শতাংশক জীৱিকা প্রদান কৰে। মিজোৰামত প্রায় 50 শতাংশ বাসিন্দাই গ্রাম্য অঞ্চলত বাস কৰে আৰু কৃষিৰ ওপৰত নির্ভৰশীল। কৃষিকার্যৰ ওপৰত নির্ভৰশীলতাৰ এই হাৰ ছিকিমত সর্বোচ্চ 89 শতাংশ। যি নহওক, কৃষিভিত্তিক বিকাশৰ আর্হি অঞ্চলভেদে অসমান। তৎসত্বেও ৰাজ্যসমূহে নিজৰ উপভোগৰ বাবেও বিভিন্ন খাদ্য শস্য আমদানি কৰা ৰাজ্যবোৰৰ শীর্ষত আছে। যদিও কৃষিকার্য অঞ্চলটোৰ লোকসকলৰ জীৱিকা অর্জনৰ মূল উৎস, তথাপিও দেখা গৈছে যে কৃষিকার্য কৰিবৰ বাবে এক সীমিত পৰিমাণৰ ভূমিহে সহজলভ্য হৈ আছে। ৰাষ্ট্রীয় গড় 21.1 শতাংশৰ বিপৰীতে অঞ্চলটোৰ 66.1 শতাংশ (অসমৰ 35.3 শতাংশৰ পৰা আৰম্ভ কৰি মিজোৰামৰ 90.7 শতাংশলৈ) তকৈও অধিক ভূমি বনাঞ্চলে আৱৰি আছে। ধানৰ বাহিৰে অঞ্চলটোত ৰবৰ কুঁহিয়াৰ, চাহপাত ইত্যাদিৰ খেতি কৰা হয়।

ত্রিপুৰা ৰবৰ উৎপাদনৰ মূখ্য কেন্দ্র। ভাৰতীয় ৰবৰ ব'র্ডৰ দ্বাৰা ইয়াক কেৰালাৰ পাচতেই 'ভাৰতৰ দ্বিতীয় ৰবৰ উৎপাদনকাৰ কেন্দ্র' বুলি ঘোষণা কৰা হৈছে। উত্তৰ-পূর্বাঞ্চলীয় ৰাজ্যসমূহে প্রচুৰ পৰিমাণে বাঁহো উৎপাদন কৰে। এই অঞ্চলটো মুঠ উৎপাদনৰ 65 শতাংশ আৰু মুঠ গোলকীয় উৎপাদনৰ 20 শতাংশ বাঁহ। উৎপাদনকাৰী অঞ্চল। মিজোৰামে অকলেই দেশৰ মুঠ বাঁহ উৎপাদন 40 শতাংশৰ বৰঙণি আগবঢ়ায়।

কৃষিভিত্তিক খণ্ডসমূহত বিভিন্ন ধৰণৰ সমস্যাই দেখা দিব পাৰে। ক্ষুদ্র তথা উপান্ত খেতিয়কসকলে অধিগ্রহণ কৰি ৰখা ক্ষুদ্র ভূ-খণ্ডবোৰৰ যি উত্তৰ-পূর্বাঞ্চলৰ ভূস্বত্বৰ আর্হিটোত আধিপত্য বিস্তাৰ কৰি আছে। ই এক খৰচী ব্যৱস্থা। অঞ্চলটোৰ জলসিঞ্চন ব্যৱস্থা থকা মাটিৰ অনুপাত কম আৰু জলসিঞ্চনৰ দ্বাৰা উৎপাদন শক্তি বৃদ্ধি কৰাৰ বাবে বিত্তীয় যোগান পর্যাপ্ত নহয়। দেশৰ অন্য প্রান্তৰ তুলনাত উত্তৰ-পূব ভাৰতত কৃষিভিত্তিক বিনিয়োগৰ ব্যৱহাৰো কম। অঞ্চলটোত 2010-11 বর্ষত প্রতি হেক্টৰ মাটিত সাৰৰ প্রয়োগ তেনেই নগণ্য আছিল। ৰাষ্ট্রীয় গড় প্রতি হেক্টৰত 135.27

কিল'গ্ৰামৰ তুলনাত নাগালেণ্ডত এই হাৰ আছিল প্ৰতি হেক্টৰত 2.35 কিলো'গ্ৰাম, অৰুণাচল প্ৰদেশত 3.01 কিলো'গ্ৰাম, মেঘালয়ত 13 কিলো'গ্ৰাম আৰু অসমত 63 কিলো'গ্ৰাম, ইয়াৰ উপৰি ত্ৰিপুৰা (7.41 শতাংশ)ক বাদ দি উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্যসমূহৰ কৃষিখণ্ডত বিদ্যুৎ শক্তিৰ ব্যৱহাৰ ৰাষ্ট্ৰীয় গড় 20.43 শতাংশৰ বিপৰীতে মাত্ৰ 1 শতাংশ।

পথ আৰু ৰেলপথ সংযোগৰ সঠিক বিকাশে অৰ্থনৈতিক উন্নয়নৰ সম্ভাৱনা বৃদ্ধি কৰিব পাৰে। অঞ্চলটোত সৰ্বমুঠ 2578 কিলো'মিটাৰ দৈৰ্ঘ্যৰ ৰেলপথ আৰু 1.74 লাখ কিলোমিটাৰ দৈৰ্ঘ্যৰ স্থলপথ আছে যদিও দেশৰ ৰেলপথ আৰু পথ সংযোগ উন্নয়নৰ গড়ৰ তুলনাত এই ইয়াৰ পৰিমাণ যথেষ্ট কম। উত্তৰ-পূব ভাৰতত ৰেলপথ সংযোগ ব্যৱস্থা বেছি উৎসাহজনক নহয়। ৰেলপথ সংযোগৰ অৰ্ধবিকাশৰ এটা কাৰণ হ'ল অঞ্চলটোৰ পাহাৰীয়া ভূ-ভাগ (terrain)। ৰেলপথ সংযোগৰ এই অৰ্ধবিকাশে অঞ্চলটোৰ ঔদ্যোগিকীকৰণ আৰু অৰ্থনৈতিক উন্নয়নত বিৰূপ প্ৰভাৱ পেলাইছে। দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত 4500 কোটি টকাৰ বাৰ্ষিক অনুদান আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল। তেনে ধৰণৰ পুঁজিৰ আবণ্টনে অঞ্চলটোৰ ৰেলপথ সংযোগৰ উন্নয়নৰ ক্ষেত্ৰত কোনো বৃহৎ পৰিৱৰ্তন সাধন কৰিব নোৱাৰে। উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্যমন্ত্ৰীসকলৰ সন্মিলনৰ তথ্য অনুসৰি দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে 13 টা ৰাষ্ট্ৰীয় ৰেলপথ প্ৰকল্পত সন্মতি জনোৱা হৈছিল। ই ৰেল পথ সংযোগৰ ক্ষেত্ৰত কিছু পৰিৱৰ্তন আনিবলৈ সক্ষম হ'ল। ইয়াৰ প্ৰভাৱ অঞ্চলটোৰ সাম্প্ৰতিক ঔদ্যোগিক কাৰ্য কলাপৰ উন্নয়নত পৰিলক্ষিত হৈছে। আকাশীপথৰ সংযোগৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ বৰ্তমান দেশৰ সকলো বৃহৎ চহৰৰ সৈতে দৈনন্দিন বিমান সেৱাৰ দ্বাৰা সংযোজিত হৈছে। সামৰিক আৰু ৰাজহুৱা উদ্দেশ্যৰ বাবে ব্যৱহাৰৰ বাবে ৰাজ্যবোৰত বহুতো ক্ষুদ্ৰ এয়াৰষ্ট্ৰীপ আছে। অঞ্চলটোত বৰ্তমান দুটা আন্তৰ্জাতিক বিমান বন্দৰ আছে। সেই দুটা হ'ল ঃ (1) লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰ আৰু (2) বীৰ আন্তৰ্জাতিক বিমান বন্দৰ। অৰুণাচল আৰু ছিকিমত বিমান বন্দৰ নিৰ্মাণ কৰি থকা হৈছে। ইয়াৰ উপৰি অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু মিজোৰাম কেইবাটাও স্থায়ী বিমান বন্দৰ আছে। যদিও ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীত জলপথ সংযোগ আছে তথাপিতো অঞ্চলটোত জল পৰিৱহণৰ আন্তঃগাঁথনিৰ বিকাশ ঘটা নাই। পৰ্যটনৰ ক্ষেত্ৰত জলপথ সংযোগ পৰিৱৰ্তনৰ এক প্ৰভাৱশালী কাৰক হ'ব পাৰে। কিন্তু জলপথ সংযোগ তথা পৰিৱহনৰ ক্ষেত্ৰত দেখা দিয়া অৱহেলাই অঞ্চলটোত এক উদ্যোগ হিচাপে পৰ্যটনৰ বিকাশত বাধা প্ৰদান কৰিছে। যিকোনো ধৰণৰ ঔদ্যোগিক আৰু অৰ্থনৈতিক উন্নয়নৰ বাবে শক্তি আৰু বিদ্যুতৰ দৰে আন্তঃগাঁথনিসমূহ যথেষ্ট গুৰুত্বপূৰ্ণ। আগতে শক্তি আৰু বিদ্যুতৰ ক্ষেত্ৰত, উত্তৰ-পূৰ্বাঞ্চলত কিবা সুবিধা আছে বুলি ক'ব পৰা নগৈছিল। কিন্তু জলবিদ্যুৎ প্ৰকল্প (hydropower projects) সমূহৰ

সাম্প্রতিক উন্নয়নে অঞ্চলটোলৈ উল্লেখযোগ্য পৰিৱর্তন আনিছে। উত্তৰ-পূব উন্নয়ন পৰিষদ মন্ত্রালয়ে (DONER Ministry) প্রকাশ কৰা তথ্য অনুসৰি উত্তৰ-পূর্বাঞ্চলৰ তিনিখন ৰাজ্য, ছিকিম, ত্রিপুৰা আৰু মিজোৰাম শক্তি-উদবৃত্ত (Power surplus) ৰাজ্য হিচাপে ঘোষিত হৈছে। এই তথ্য অনুসৰি জলবিদ্যুৎ প্রকল্পসমূহ সম্পূর্ণ হৈ উঠাৰ পাচত 5676 মেগাৱাটৰ শক্তি যোগান নিশ্চিত হ'ব। যদিও সম্ভাব্য ঔদ্যোগিক বিকাশৰ ক্ষেত্রত ইয়াৰ উল্লেখযোগ্য ভূমিকা আছে তথাপিও এক ভূমিকম্পপ্রৱণ অঞ্চল হোৱা বাবে এই প্রকল্পবোৰে অঞ্চলটোত বৃহত্তৰ পৰিৱেশজনিত সমস্যাৰো সৃষ্টি কৰিব পাৰে।

ঔদ্যোগিক বিকাশৰ কাৰণে শিক্ষাৰ আন্তঃগাঁথনি আৰু অর্হতাৰ বিকাশ অপৰিহার্য। উত্তৰ-পূর্বাঞ্চলত বহুতো কেন্দ্রীয় আৰু ৰাজ্যিক বিশ্ববিদ্যালয়, আভিযান্ত্রিক তথা চিকিৎসা প্রতিষ্ঠান স্থাপন কৰা হৈছে আৰু এইবোৰৰ উন্নিতকৰণৰ প্রক্রিয়া অব্যাহত আছে। কিন্তু কাৰিকৰী প্রতিষ্ঠান, উচ্চতৰ শিক্ষা আৰু দক্ষতা বৃদ্ধিকাৰী প্রতিষ্ঠান আদিৰ উন্নয়ন আশানুৰূপে নহয়। অঞ্চলটোত আই আই টি এছ (IITS) আই আই এম এছ (IIMS), এন আই টি এছ (NITS) আদিৰ উন্নয়ন চকুত পৰা বিধৰ নহয়। অর্হতা আৰু উদ্যমী দক্ষতাৰ সঠিক বিকাশ অবিহনে সঠিক ঔদ্যোগিক বিকাশ সম্ভৱ নহয়।



অগ্রগতি নিৰীক্ষণ

1¼) উত্তৰ-পূব ভাৰতৰ দুটা আন্তর্জাতিক বিমান বন্দৰৰ নাম উল্লেখ কৰক।

2] উত্তৰ-পূব কোন ৰাজ্যক শক্তি-উদবৃত্ত ৰাজ্য হিচাপে বিবেচনা কৰা হয়?



চিন্তা-চর্চা কৰক-৪

উত্তৰ-পূর্বাঞ্চলত নির্মাণ কার্য সম্পূর্ণ হোৱা বৃহৎ জলবিদ্যুৎ প্রকল্পসমূহৰ নাম বিচাৰি উলিয়াওক।

.....



চিন্তা-চর্চা কৰক-৫

পৰিৱেশৰ ওপৰত জলবিদ্যুৎ প্রকল্পসমূহে পেলাব পৰা প্রভাৱ সম্পর্কে আলোচনা কৰক।

.....



চিন্তা-চর্চা কৰক-৬

উত্তৰ-পূর্বাঞ্চলৰ আন্তঃগাঁথনিমূলক উন্নয়ন প্রত্যয়জনক বুলি আপুনি ভাবেনে?

.....



চিন্তা-চৰ্চা কৰক-৭

ঔদ্যোগিক আৰু অৰ্থনৈতিক উন্নয়নৰ ওপৰত অবৈধ প্ৰব্ৰজনে পেলোৱা প্ৰভাৱ সম্পৰ্কে আলোচনা কৰক।

.....



জানি থোৱা ভাল

ড'নাৰ (Doner) মানে হ'ল উত্তৰ-পূব উন্নয়ন পৰিষদ মন্ত্ৰালয়। ই হ'ল উত্তৰ-পূৰ্বাঞ্চলীয় ৰাজ্যসমূহৰ সামাজিক-অৰ্থনৈতিক উন্নয়নৰ সৈতে জড়িত দিশসমূহ চোৱা-চিতা কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে গঠন কৰা মন্ত্ৰালয়। 2001 চনত এই বিভাগটো গঠন কৰা হৈছিল।

১২.৩.৩ ঔদ্যোগীকৰণ

এনচাইক্লু' পেডিয়া ব্ৰিটানিকাত (Encycolpedia Britannica) উল্লেখ থকা অনুসৰি ঔদ্যোগীকৰণ মানে হ'ল সামাজিক-অৰ্থনৈতিক ক্ৰম পৰিৱৰ্তন কৰা এনে এক প্ৰক্ৰিয়া য'ত উদ্যোগে প্ৰাধান্য লাভ কৰে। উত্তৰ-পূব ভাৰতত যদিও ঔদ্যোগিক উন্নয়নৰ যথেষ্ট সম্ভাৱনা আছে, তথাপিও কিছুমান কাৰণবশতঃ অঞ্চলটোত তেনে কোনো ধৰণৰ উন্নয়নমূলক কাম-কাজ আগবঢ়া নাই। চাহ পাত আৰু তেলক উত্তৰ-পূৰ্বাঞ্চলৰ দুটা গুৰুত্বপূৰ্ণ উদ্যোগ হিচাপে গণ্য কৰিব পাৰি। অসমৰ চাহ উদ্যোগে ভাৰতৰ মুঠ উৎপাদনলৈ প্ৰায় 53 শতাংশ অৰিহণা যোগায়। আনহাতে, অসমৰ তৈল উদ্যোগৰ এক ঐতিহাসিক পটভূমি আছে। অসমৰ ডিগবৈত এছিয়াৰ সৰ্ববৃহৎ তেল শোধানাগাৰটো অৱস্থিত। এই সকলোবোৰ সমল থকা সত্বেও উত্তৰ-পূৰ্বাঞ্চলৰ ঔদ্যোগিক বিকাশ সন্তোষজনক নহয়। চাহ খণ্ডসমূহৰ ক্ষুদ্ৰ চাহ খেতিয়ক আৰু মধ্যমীয়া চাহ খেতিয়কসকলৰ সমস্যাসমূহক চৰকাৰে সঠিক গুৰুত্ব আৰোপ কৰা নাই। উত্তৰ-পূৰ্বাঞ্চল উৎপাদিত চাহপাতৰ মানক কেন্দ্ৰ কৰি এটা ডাঙৰ বিতৰ্ক চলি আছে। অসমৰ তৈল ক্ষেত্ৰসমূহৰ অনুমোদিত ব্যক্তিগত নিলামীয়ে অ'এন জি চি (ONGC) আৰু অসম পেট্ৰ' কেমিকেলছ্ লিমিটেডলৈ বৃহৎ লোকচান কঢ়িয়াই আনিছে। বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত কুটীৰ উদ্যোগৰ কেন্দ্ৰৰূপে অসমৰ শুৱালকুছি বিখ্যাত হৈ পৰিছে। ইয়াক অসমৰ মানচেষ্টাৰ আখ্যা দিয়া হৈছে। মেঘালয়ত চূণশিল আৰু গ্ৰেণাইটৰ এক সমৃদ্ধ ভাণ্ডাৰ আছে। ই চিমেণ্ট উদ্যোগৰ এক সম্ভাৱনীয় উৎস হ'ব পাৰে। বাঁহ উদ্যোগ আৰু হস্তশিল্পৰ ক্ষেত্ৰত মণিপুৰ আৰু ত্ৰিপুৰাৰ প্ৰচুৰ সম্ভাৱনা আছে। ইতিমধ্যে আলোচনা কৰা হৈছে যে ৰবৰ উৎপাদন উত্তৰ-পূৰ্বাঞ্চলৰ বাবে অন্য এক সম্ভাৱনাপূৰ্ণ উদ্যোগ। ছিকিমৰ বাঁহ

উৎপাদনকো ঔদ্যোগিক বিকাশৰ এক সম্ভাৱনা হিচাপে ধৰিব পাৰি। দেখা গৈছে যে মেঘালয়, অৰুণাচল প্ৰদেশৰ আৰু ছিকিমৰ বিভিন্ন ঠাইৰ সৌন্দর্যই বিভিন্ন দেশৰ পর্যটকক আকর্ষণ কৰিছে। বিশেষকৈ হ'র্ণ্ বীল উৎসৱ, টাৱাঙ উৎসৱ, অম্বুবাচি মেলা আদি উৎসৱসমূহ দেশী-বিদেশী পর্যটকৰ আকর্ষণৰ কেন্দ্রবিন্দু। ব্রহ্মপুত্র, বৰাক, কালদান ইত্যাদি নদীৰ অৱস্থিতি, পৃথিৱীৰ বৃহত্তম আৰু ক্ষুদ্রতম নদীদ্বীপৰ অৱস্থিতি, পৃথিৱীৰ আটাইতকৈ বেছি বৰষুণ হোৱা ঠাই আৰু এছিয়াৰ আটাইতকৈ পৰিষ্কাৰ গাওঁ আদিৰ অৱস্থিতিয়ে উত্তৰ-পূর্বাঞ্চলক পর্যটকসকলৰ বাবে এক অন্যতম গুৰুত্বপূর্ণ গন্তব্যস্থানত পৰিণত কৰিছে। এই সকলোবোৰ সা-সুবিধা থকা সত্বেও অঞ্চলটোত কিন্তু পর্যটন উদ্যোগৰ বিকাশ আশানুৰূপ নহয়। অন্যান্য উদ্যোগ সমূহৰ ক্ষেত্রতো একেই কথাই ক'ব পাৰি। এই অর্ধবিকাশৰ মুখ্য কাৰণসমূহ তলত উল্লেখ কৰা হ'ল ঃ

- ঔপনিৱেশিক দমন আৰু শোষণ।
- প্রাক্-স্বাধীনতাৰ কালত সন্মুখীন হোৱা অৱজ্ঞা তথা অৱহেলা আৰু তাৰ ফলস্বৰূপে সমল বিতৰণত দেখা দিয়া অসমতা।
- দুর্নীতি
- আন্তঃগাঁথনিৰ অর্ধবিকাশ
- বিসম্বাদ আৰু কূটাঘাট
- উত্তৰ-পূর্বাঞ্চলৰ বাবে সঠিক ঔদ্যোগিক নীতিৰ অভাৱ।
- বাসিন্দাসকলৰ উদ্যমী দক্ষতাৰ অভাৱ।
- আলস্যতা, জনসাধাৰণ তথা চৰকাৰৰ দৃঢ় সংকল্পবদ্ধতাৰ অভাৱ।
- অবৈধ প্রব্রজন আৰু অর্থনীতিৰ ওপৰত ইয়াৰ চাপ।

যুক্তি দর্শাব পাৰি যে সঠিক ঔদ্যোগিক নীতিৰ প্রৱর্তন, আন্তঃগাঁথনিৰ উন্নয়ন, উদ্যমী দক্ষতাৰ বিকাশ, বৃহৎ পুঁজিৰ আবণ্টন, বিসম্বাদী গোটসমূহৰ সৈতে শান্তি আলোচনাৰ আয়োজন আদি কার্যই উত্তৰ-পূর্বাঞ্চলক এক ঔদ্যোগিক মণ্ডল হিচাপে গঢ় দিয়াৰ সম্ভাৱনা দেখা যায়।



অগ্রগতি নিৰীক্ষণ

3] এছিয়াৰ সর্ববৃহৎ তেল শোধনাগাৰটো ক'ত অৱস্থিত?

.....

4] অসমৰ মানচেষ্টাৰ বুলি কোন ঠাইক কোৱা হয়?

.....



১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

উত্তৰ-পূব উন্নয়ন পৰিষদ মন্ত্ৰালয় আৰু ভাৰত চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ ঔদ্যোগিক পৰিস্থিতিৰ উন্নয়নৰ বাবে কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছে।

- চৰকাৰে কৃষিকাৰ্য, পথ আৰু ৰে'লপথৰ আন্তঃগাঁথনিৰ উন্নয়ন, বিমান সংযোগ বৃদ্ধি, দক্ষতা বিকাশৰ আঁচনি আদিত মনোনিৱেশ কৰিছে।
- শেহতীয়াভাৱে বিনিয়োগকাৰীসকলক আকৰ্ষিত কৰিবলৈ অসমত "এডভাণ্টেজ আছাম" (Advantage Assam) নামৰ কাৰ্যসূচী এটাৰ কাম চলি আছে। এই কাৰ্যসূচীৰ অধীনত এক লাখ কৌটি টকা মূল্যৰ দুশতকৈ অধিক 'বুজাবুজিৰ চুক্তি' স্বাক্ষৰিত হৈছে। তাৰ অংশস্বৰূপে টাটা (TATA) গ্ৰুপে অসমত এখন কৰ্কট ৰোগৰ চিকিৎসালয় স্থাপনৰ বাবে আগবাঢ়ি আহিছে।
- স্মাৰ্ট চিটি প্ৰকল্পৰ তালিকাত 100 খন নগৰ-চহৰৰ ভিতৰত গুৱাহাটী আৰু শ্বিলঙৰ নাম সন্নিৱিষ্ট কৰি ঔদ্যোগিক উন্নয়নৰ সম্ভাৱনা নিশ্চিত কৰা হৈছে।
- আল্‌ফা, এন এছ চি এন, এন এন চি, কে এল এফ, এন ডি এফ বি (আৰ) ইত্যাদি সংগঠনৰ সৈতে অনুষ্ঠিত হোৱা শান্তি আলোচনাসমূহ এক শান্তিৰ পৰিৱেশ সৃষ্টিত গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াইছে। ই পৰৱৰ্তী সময়ত অঞ্চলটোৰ ঔদ্যোগিক বিকাশতো অৰিহণা যোগাব।



১২.৫ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Ahmed U Joynal;2007; *Industrialization in North-Eastern region*; Mittal publication; New Delhi.
2) Dhar, pk; 1993; *Indian Economy its growing Dimensions*; Kalyani publishers; New Delhi.
3) Singh, Ramesh; 2016; *Indian Economy*; Mc Graw hill, New Delhi.
4) Nayak, purosottam; 1999; Infrastructure: its development and impact on agriculture in north-east India*; Assam university journal;* Vol. IV (1), pp. 59-65*l*.
5) Presentation on infrastructure development in north-east Indian states, presentation submitted in conference of chief ministers of north eastern region.

6) North eastern council news letter, vol, 1. Issue.1.December, 2017.

7) Baruah, Sanjib. (2007). *Durable Disorder: Understanding the Politics of Northeast India.* Oxford India Paperbacks.

8) Nayak, Purusottam. (2008)." Human Development in Northeast India. " *Growth and Human Development in North East India*. Oxford University Press New Delhi.



১২.৬ অগ্রগতি নিৰীক্ষণ

১ নং প্রশ্নৰ উত্তৰ ঃ লোকপ্রিয় গোপীনাথ বৰদলৈ আন্তর্জাতিক বিমান বন্দৰ আৰু বীৰ আন্তর্জাতিক বিমান বন্দৰ।

২ নং প্রশ্নৰ উত্তৰ ঃ ছিকিম, ত্রিপুৰা আৰু মিজোৰাম।

৩ নং প্রশ্নৰ উত্তৰ ঃ ডিগবৈত।

৪ নং প্রশ্নৰ উত্তৰ ঃ শুৰালকুছিক।



১২.৭ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ উত্তৰ-পূব ভাৰতৰ নিবনুৱা সমস্যাৰ মূখ্য কাৰকসমূহ আলোচনা কৰক। (200 টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ২ ঃ উত্তৰ-পূব ভাৰতৰ আন্তঃ গাঁথনিমূলক উন্নয়ন অঞ্চলটোৰ ঔদ্যোগিক উন্নয়নৰ কাৰণে পর্যাপ্ত বুলি আপুনি ভাবেনে? (150 টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ৩ ঃ উত্তৰ-পূব ভাৰতৰ নিবনুৱা সমস্যাৰ পৰিণামসমূহ কি কি?

প্রশ্ন নং ৪ ঃ নিবনুৱা সমস্যা আৰু ঔদ্যোগিক অর্ধবিকাশৰ সৈতে যুঁজ দিবলৈ চৰকাৰে কেনে ধৰণৰ উপায় অৱলম্বন কৰিব লাগিব? (250 টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ৫ ঃ উত্তৰ-পূর্বাঞ্চলীয় ৰাজ্যসমূহৰ আন্তঃ গাঁথনিমূলক উন্নয়নৰ বিষয়ে এটা সমালোচনামূলক টোকা লিখক। (200 টা শব্দৰ ভিতৰত লিখক)

****